জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৫৭/২০২০

# জ্যেষ্ঠ সাংবাদিক পৰাগ ভূঞাৰ মৃত্যুৰ চি আই ডি তদন্ত

## মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ পিছতে তিনিচুকীয়ালৈ ৰাওনা হৈছে চি আই ডিৰ তদন্তকাৰী বিষয়া

**দিছপুৰ, ১৩ নৱেম্বৰ ঃ** জ্যেষ্ঠ সাংবাদিক পৰাগ ভূঞাৰ মৃত্যুৰ তদন্তৰ ভাৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে চি আই ডিৰ হাতত ন্যস্ত কৰাৰ পিছতেই আজি চি আই ডিৰ তদন্তকাৰী দল তিনিচুকীয়ালৈ ৰাওনা হৈছে। চি আই ডিৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক বিৱেকানন্দ দাসৰ নেতৃত্বত যোৱা দলটোত উপ আৰক্ষী অধীক্ষক প্ৰদীপ কুমাৰ দাস আৰু পৰিদৰ্শক জিতেশ বৰ্মণ আছে। আনহাতে তদন্তৰ সহায়ক হোৱাকৈ চি আই ডিৰ দলটোৰ সৈতে ফৰেনচিক চাইন্স লেবৰেটৰীৰ বিশেষজ্ঞও তিনিচুকীয়ালৈ ৰাওনা হৈছে। জ্যেষ্ঠ বিজ্ঞানী তথা ফিজিস্ক ডিভিজনৰ ভাৰপ্ৰাপ্ত বিষয়া ড° পাৰ্থ প্ৰতীম দেৱশৰ্মা, কণিষ্ঠ বিজ্ঞানী তথা চেৰ'লজি ডিভিজনৰ বিষয়া অৰূপ মান্তা আৰু ফটোগ্ৰাফী ডিভিজনৰ লেবৰটৰী টেকনিচিয়ান হৰেণ দাস তিনিচুকীয়ালৈ ৰাওনা হৈছে। উল্লেখযোগ্য যে কালি মুখ্যমন্ত্ৰীয়ে সাংবাদিক গৰাকীৰ মৃত্যু হোৱা ঘটনা পুংখানুপুংখ তদন্ত কৰাৰ বাবে চি আই ডিৰ তদন্তৰ কথা ঘোষণা কৰিছিল।

**সুঃদঃ / পুঃডেঃ**
**১৩/১১/২০২০**